
অসম

তেজপুৰ-বাইহাটা চাৰিলেন পথৰ অধিগ্ৰহণৰ ভূমিত নতুন নিৰ্মাণ নিষিদ্ধ, প্ৰশাসনৰ কঠোৰ নিৰ্দেশনা

তেজপুৰ-বাইহাটা চাৰিআলি চাৰিলেনযুক্ত পথৰ বাবে অধিগ্ৰহণ কৰিবলগীয়া ভূমিত নতুন নিৰ্মাণ কৰিলে কোনো ক্ষতিপূৰণ দিয়া নহ'ব বুলি প্ৰশাসনে স্পষ্ট কৰি দিছে।

প্ৰকাশ: ২৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৫১



GOVERNMENT OF ASSAM
OFFICE OF THE CIRCLE OFFICER: SIPAJHAR REVENUE CIRCLE
SIPAJHAR: DARRANG

No: SPR/RC/2026/৭১৩ Date: ১৬/11/2026

ORDER

In pursuance of the Order issued by the Office of the District Commissioner, Darrang, Mangaldai (Land Acquisition Branch) vide No. DRAQ.09/2024/Baihata Mission Chariali/189, dated 29th Oct., 2026, and in the interest of orderly completion of the land acquisition proceedings and preservation of the status of the notified lands falling under Sipajhar Revenue Circle as existing on the date of publication of the Section 3A Notification, the following directions are hereby issued for strict compliance with immediate effect:

1. No new construction, whether permanent, semi-permanent, or temporary, including any building, house, shop, shed, boundary wall, or other structure, plantation shall be commenced or erected or done on any land covered by the aforesaid Section 3A Notification within Sipajhar Revenue Circle.

2. No extension, addition, or material alteration shall be made to any existing building or structure situated on the notified land without prior written permission.

3. No person shall materially alter the nature, character, use, or physical condition of the notified land, including by earth filling, excavation, development, subdivision, or similar activity, so as to affect its survey, valuation, or acquisition.

4. Any construction, improvement, alteration, Plantation or changes made after publication of the Section 3A Notification shall not by itself confer any right to claim enhanced compensation.

Concerned LRA'sSP under Sipajhar Revenue Circle are hereby directed to maintain strict field vigil and ensure that no mutation, partition, reclassification, conversion, or alteration/correction of land records is allowed or effected in respect of the lands covered by the Section 3A Notification.

This Order shall come into force with immediate effect and shall remain operative until completion of the acquisition proceedings in respect of the concerned lands or until further orders.

Circle Officer
Sipajhar Revenue Circle

(NewzNow)

তেজপুৰ-বাইহাটা চাৰিআলি চাৰিলেনযুক্ত পথ প্ৰকল্পৰ বাবে অধিগ্ৰহণ প্ৰক্ৰিয়াৰ অধীনত থকা ভূমিত নতুনকৈ নিৰ্মাণ কাৰ্য চলোৱাক লৈ কঠোৰ স্থিতি গ্ৰহণ কৰিছে প্ৰশাসনে। অধিগ্ৰহণ কৰিবলগীয়া ভূমিত নিৰ্মাণ কাৰ্য চলাই থকা লোকসকলক তাৎক্ষণিকভাৱে জাননী জাৰি কৰিবলৈ সংশ্লিষ্ট ৰাজহ চক্ৰ বিষয়াসকলক নিৰ্দেশ দিয়া হৈছে।

ছিপাঝাৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়াই ইতিমধ্যে ভূমি ৰাজহ সহায়কসকলৰ জৰিয়তে সংশ্লিষ্ট সকলো লোকলৈ জাননী প্ৰেৰণ কৰিছে। পূৰ্বে ছিপাঝাৰৰ চক্ৰ বিষয়া হিচাপে কাৰ্যনিৰ্বাহ কৰা বৰ্তমানৰ নগাঁও জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত কমলজিৎ শৰ্মালৈও প্ৰশাসনে জাননী প্ৰেৰণ কৰিছে বুলি জানিব পৰা গৈছে।

একেদৰে দৰং জিলাৰ দলগাঁও অঞ্চলতো এনে অভিযোগ উত্থাপন হোৱাৰ পিছত সংশ্লিষ্ট লোকসকললৈ জাননী প্ৰেৰণ কৰা হৈছে। দলগাঁৱৰ চক্ৰ বিষয়াই আৰক্ষীৰ সহযোগত এই সন্দৰ্ভত পৰৱৰ্তী ব্যৱস্থা গ্ৰহণ কৰিব বুলি প্ৰশাসনে প্ৰকাশ কৰিছে।

© 2026 NewzNow

ছিপাঝাৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ে জাৰি কৰা এক নিৰ্দেশ অনুসৰি, অধিগ্ৰহণ প্ৰক্ৰিয়াৰ অধীনত থকা ভূমিত নতুন নিৰ্মাণ, সম্প্ৰসাৰণ, পৰিৱৰ্তন, বেৰ দিয়া, মাটি পোতা বা খনন আদি কাৰ্যত সম্পূৰ্ণ নিষেধাজ্ঞা আৰোপ কৰা হৈছে। প্ৰাৰম্ভিক অধিগ্ৰহণৰ জাননী প্ৰকাশৰ পিছত কৰা যিকোনো নিৰ্মাণ বা উন্নয়নে ক্ষতিপূৰণ লাভৰ অধিকাৰ নিদিয়ে বুলি নিৰ্দেশত স্পষ্ট কৰি দিয়া হৈছে।

এনএইচআইডিচিএলে অধিগ্ৰহণ প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ সময়তে সমগ্ৰ পথছোৱাৰ উপগ্ৰহীয় ছবি সংগ্ৰহ কৰি ৰাখিছে। ফলত কোনো লোকে নতুনকৈ নিৰ্মাণ কাৰ্য চলালেও উপগ্ৰহীয় তথ্যৰ ভিত্তিত সেই নতুন নিৰ্মাণৰ বাবে কোনো অতিৰিক্ত ক্ষতিপূৰণ লাভ কৰিব নোৱাৰিব। ভূমিত অনাহক নিৰ্মাণ চলাই অতিৰিক্ত ক্ষতিপূৰণ দাবী কৰাৰ প্ৰৱণতা ৰোধ কৰাৰ লক্ষ্যৰেই প্ৰশাসনে এই পদক্ষেপ গ্ৰহণ কৰিছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/5838/tezpur-baihata-four-lane-land-acquisition-notice